অসম

‘বিজ্ঞানে আনিলে জোৱাৰ’ বিষয়ত সদৌ অসমভিত্তিক ৰচনা প্ৰতিযোগিতা

নৱপ্ৰজন্মৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ লক্ষ্যৰে ‘বৰ্ণ’ই দুটা শাখাত সদৌ অসমভিত্তিক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে।

প্ৰকাশ: ১৮ নৱেম্বৰ ২০২৬, নিশা ৭:৪৪



Barna announced an Assam-wide Assamese essay competition for students of Classes 8 to 12, with prizes of up to Rs 25,000. (NewzNow)

গুৱাহাটী, ১৮ নৱেম্বৰ: নৱপ্ৰজন্মৰ মাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলা আৰু বিজ্ঞানচৰ্চাৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাৰ লক্ষ্যৰে ‘বৰ্ণ’ই সদৌ অসমভিত্তিক ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। বিশিষ্ট বিজ্ঞানী ড□ হিৰণ্য চন্দ্ৰ ভূঞাৰ পৰিয়ালবৰ্গৰ সহযোগত অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাখনৰ বিষয় হৈছে ‘বিজ্ঞানে আনিলে জোৱাৰ’।

প্ৰতিযোগিতাখন দুটা শাখাত অনুষ্ঠিত হ’ব। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈকে শিক্ষাৰ্থীৰ বাবে প্ৰথম শাখা আৰু একাদশ-দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে দ্বিতীয় শাখা নিৰ্ধাৰণ কৰা হৈছে।

প্ৰতিযোগিতাখনত প্ৰথম পুৰস্কাৰ হিচাপে ২৫ হাজাৰ টকা, দ্বিতীয় পুৰস্কাৰ ১৫ হাজাৰ টকা আৰু তৃতীয় পুৰস্কাৰ ১০ হাজাৰ টকা প্ৰদান কৰা হ’ব। অংশগ্ৰহণ কৰা প্ৰতিগৰাকী শিক্ষাৰ্থীক ড□ হিৰণ্য চন্দ্ৰ ভূঞাৰ জীৱনভিত্তিক এখন গ্ৰন্থও দিয়া হ’ব।

© 2026 NewzNow

প্রতিযোগীসকলে অহা ১৫ ডিচেম্বৰৰ ভিতৰত সর্বাধিক ১,৫০০ শব্দৰ ভিতৰত অসমীয়া ভাষাত লিখা মৌলিক ৰচনা পিডিএফ ফৰ্মেটত hcbessay@gmail.com ঠিকনালৈ প্রেৰণ কৰিব লাগিব। প্রতিযোগিতাত কৃত্রিম বুদ্ধিমত্তাৰ ব্যৱহাৰ সম্পূর্ণৰূপে নিষিদ্ধ কৰা হৈছে।

অহা ডিচেম্বৰ মাহত অনুষ্ঠিত হ’বলগীয়া গুৱাহাটী গ্রন্থমেলাত গ্রন্থখনৰ উন্মোচনী অনুষ্ঠানৰ লগতে বিজয়ীসকলক পুৰস্কাৰ প্রদান কৰা হ’ব। ১৮ নৱেম্বৰত গুৱাহাটী প্রেছ্ ক্লাবত আয়োজিত সংবাদমেলত সঞ্জীৱ কাকতি আৰু শান্তিকাম হাজৰিকাই প্রতিযোগিতাখনৰ বিষয়ে সবিশেষ জনায়। সংবাদমেলত ‘বর্ণ’ৰ স্বত্বাধিকাৰী ৰক্তিম ঠাকুৰীয়াও উপস্থিত থাকে।

কটন কলেজৰ প্রাক্তন অধ্যক্ষ তথা অসম লোকসেৱা আয়োগৰ প্রাক্তন অধ্যক্ষ ড□ হিৰণ্য চন্দ্র ভূঞাৰ জীৱনৰ আধাৰত বিশিষ্ট লেখক ড□ অমৰজ্যোতি চৌধুৰীয়ে ‘বিজ্ঞানে আনিলে জোৱাৰ’ শীর্ষক গ্রন্থখন ৰচনা কৰিছে। গ্রন্থখনৰ জৰিয়তে শিক্ষার্থীসকলে বিজ্ঞানীগৰাকীৰ জীৱন আৰু কর্মৰ বিষয়ে জানিবলৈ সুযোগ লাভ কৰিব।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক: newznow.in/news/4264/borno-assam-essay-competition-science